Copy right @ICAR-CIFRI

# ভা.কৃ.অ.প.-কেন্দ্ৰীয় অন্তৰ্দেশীয় মীন ক্ষেত্ৰ গৱেষণা প্ৰতিষ্ঠান
## বেৰেকপুৰ, কলকাতা-৭০০১২০

## কোভিড-১৯ ৰ সংক্ৰমণ ৰোধৰ বাবে মীন সমবায় সমিতি তথা জলাশয় আৰু আৰ্দ্ৰভূমিত (বিল) মাছ আহৰণৰ ক্ষেত্ৰত মাছমৰীয়া সকলৰ বাবে পৰামৰ্শাৱলী

বিল, জলাশয় আদিত মাছ আহৰণকে ধৰি মীন সম্বন্ধীয় অন্যান্য কাম কাজ কৰিবলৈ যাওঁতে ব্যক্তি সকলে সৰু-সৰু গোটত বিভক্ত হৈ ইজনে-সিজনৰ পৰা সুৰক্ষিত দুৰত্বত অৱস্থান কৰা উচিত। মুখমণ্ডল মাস্ক বা তেনেধৰণৰ কাপোৰেৰে ঢাকি নিৰ্দিষ্ট সময়ৰ মূৰে-মূৰে চাবোন পানীৰে হাত ধুই পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰখা উচিত। মাছ ধৰা, মাছ মজুত কৰণ আদি কাম কৰাৰ সময়ত হাতমোজা পিন্ধি লোৱা যুগুত। সুস্থ সবল নিৰোগী লোকসকলে এই সময় . ছোৱাত এনেবোৰ কাৰ্যত জড়িত হোৱা উচিত।




প্লাবিত আৰ্দ্ৰভূমি (বিল) আৰু বৰ্ষাকালীন পুখুৰীসমূহত মৎস্য আহৰণৰ বাবে সীমিত সংখ্যক লোককে অনুমতি প্ৰদান কৰা উচিত। নিম্ন উপৰ্জনকাৰী মাছমৰীয়া সম্প্ৰদায়ে খেৱালী জাল, লাঙী জাল, চেপা, আদিৰ দৰে এককভাৱে মাছ আহৰণ কৰিব পৰা আহিলাৰ সহায়ত আছুতীয়াকৈ মাছ ধৰা যুগুত।

গোটেই বছৰজুৰি পানীৰে আবৃত হৈ থকা জলাশয় সমূহত সামূহিক মৎস্য চিকাৰ বন্ধ ৰখা উচিত। অৱশ্যে নিম্ন উপাৰ্জকাৰী মাছমৰীয়াসকলে এজনীয়া বা দুজনীয়া গোটত বিভক্ত হৈ নাওঁ, ক'ৰাকলৰ সহায়ত সুৰক্ষিত দুৰত্ব বজাই ৰাখি খেৱালী জালেৰে মাছ ধৰিব পাৰে।



আবেষ্টনী পদ্ধতিত (Cage/Pen) কৰা মাছ পালনত নিয়মিত খাদ্যৰ যোগান, মাছৰ স্বাস্থ্য নিৰীক্ষণ, পানীৰ গুণাগুণৰ পৰীক্ষাকৰণ আদিৰ দৰে নিত্য-নৈমিত্তিক কাৰ্য্যসমূহ সম্পাদনৰ অৰ্থে সুস্থ সবল নিৰোগী ব্যক্তিক নিয়োজিত কৰি পালিত মাছ সমূহক সুৰক্ষিত কৰি ৰাখিব পৰা যায়। খাদ্য যোগান ধৰা বাচন, ব্যৱহৃত জাল আদি বীজাণুমুক্ত কৰি পৰিষ্কাৰ পৰিচ্ছন্নতা অক্ষুন্ন ৰাখিব লাগে।




মুক্ত জলাশয় সমূহৰ পৰিচালনাৰ দায়িত্বত থকা সমবায় সমিতি/অনুষ্ঠান-প্ৰতিষ্ঠান সমূহে এই সময়ছোৱাত এনে জলাশয়ত প্ৰয়োগ কৰা মাছৰ খাদ্যৰ পৰিমাণ ৫০ শতাংশ কমাই দিয়া উচিত। উচ্চ ঘনত্বত মাছ মজুত কৰা জলাশয়ত দ্ৰৱীভূত অম্লজান (Dissolved Oxygen) পৰিমাণ কমি যোৱাৰ সম্ভাৱনা থাকে হেতুকে ইয়াৰ পৰীক্ষাকৰণ অতি গুৰুত্বপূৰ্ণ।

হেট্ছাৰীসমূহত কাম কৰা ব্যক্তিৰ মাজত সুৰক্ষিত দুৰত্ব তথা সতৰ্কতামূলক ব্যৱস্থাপনা অটুট ৰাখি মাছৰ কৃত্ৰিম আৱিষ্ট প্ৰজনন, ভ্ৰুণ পোনা প্ৰতিপালন ইত্যাদি কাৰ্য্য কৰিব পৰা যায়। ঠিক তেনেদৰে নাৰ্চ্চাৰী আৰু ৰিয়াৰিং পুখুৰীৰ পৰিচৰ্য্যা ও অব্যাহত ৰাখিব পাৰি।




কোভিড-১৯ ৰ সংক্ৰমণৰ পৰা মীন পালনৰ লগত জড়িত ব্যক্তি/মাছমৰীয়া সম্প্ৰদায়ক সুৰক্ষিত কৰি ৰাখিবলৈ সমবায় সমিতি, মীন মহল সমূহে উপযুক্ত মাস্ক, চাবোন চেনিটাইজাৰ আদি ৰাজ্য চৰকাৰ / বেচৰকাৰী অনুষ্ঠান আদিৰ সহায়ত যোগান ধৰা উচিত।

মাছ ধৰা সময়ত তথা মাছ মজুত কৰা ঠাইত যাতে মানুহৰ জুম নহয় তাৰ বাবে সৰ্তকতামূলক ব্যৱস্থা গ্ৰহণ কৰা উচিত। সৰু-সৰু গোটত মাছমৰীয়াসকলে বিভক্ত হৈ ইজনে-সিজনৰ পৰা সুৰক্ষিত দূৰত্ব অৱস্থান কৰি মাছ ধৰা কাৰ্য্য সমাপন কৰা উচিত। আনকি আহৰণ কৰা মাছ উপযুক্ত ব্যৱস্থাপনাৰে স্থানীয়ভাৱে বিক্ৰীৰ ব্যৱস্থাও কৰিব পৰা যায়। মাছ বজাৰলৈ পৰিবহন কৰোতে তিনিৰ পৰা চাৰিজন ব্যক্তিক নিয়োজিত কৰা উচিত। মাছ পৰিবহন তথা বজাৰত মাছ সংৰক্ষণ কৰিবলৈ উপযুক্ত পৰিমাণৰ বৰফৰ লগতে অন্যান্য সা-সুবিধাৰ বাবে ৰাজ্য চৰকাৰৰ মীন বিভাগে নিশ্চয়তা প্ৰদান কৰা উচিত।

প্ৰত্যেকবাৰ ব্যৱহাৰৰ আগত আৰু পিছত নাওঁ, জাল, চেপা আদি সা-সঁজুলি সমূহ বীজাণুমুক্ত কৰি লোৱা উচিত আৰু এনেবোৰ কামত সুস্থ-সবল নিৰোগী ব্যক্তিকহে নিয়োজিত কৰা উচিত।




বজাৰত মাছৰ খাদ্যকে ধৰি চুণ, খাৰ, ঔষধ আদি ক্ৰয়-বিক্ৰী কৰাৰ সময়ত কেন্দ্ৰীয় / ৰাজ্য চৰকাৰে ক'ৰোনা সংক্ৰমণ ৰোধৰ বাবে জাৰী কৰা নীতি-নিৰ্দেশনা সমূহ পালন কৰা উচিত।

***অধিক তথ্যৰ বাবে যোগাযোগ কৰক***
সঞ্চালক, ভা.কৃ.অ.প.-কেন্দ্ৰীয় অন্তৰ্দেশীয় মীন ক্ষেত্ৰ গৱেষণা
প্ৰতিষ্ঠান, বেৰেকপুৰ-৭০০১২০